بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মুতা যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২ মে ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ. اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ. الرَّحۡمٰنِ الرَّحِیۡمِ. مٰلِکِ یَوۡمِ الدِّیۡنِ. اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ. اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ. صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, মুতাৰ যুদ্ধৰ বৰ্ণনা চলি আছিল, এই উদ্ধৃতিৰ বিস্তাৰিত বিৱৰণ এইদৰে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন ৰাৱাহাক বিদায় দিয়ে তেতিয়া হজৰত আব্দুল্লাই কয় যে হে আল্লাহৰ ৰছুল (ছাঃ)! মোক এনেকুৱা বস্তুৰ নিৰ্দেশ দিয়ক যিটো মই আপোনাৰ ফালৰ পৰা মুখস্থ কৰি ল'ব পাৰো। আঁহজৰত (ছাঃ)য়ে কলে, তুমি কালি এনেকুৱা চহৰলৈ গৈ পাব লাগে য'ত ছিজদা কম কৰা হয়, তাতে তুমি অধিক ছিজদা কৰিবা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইটো ডাঙৰ উপদেশ হয়, আজিকালি আমি যিখন দেশত বসবাস কৰি আছো, ইয়াৰে বাসিন্দা সকলে খোদাক পাহৰি গৈছে, এই যুগত আহমদী সকলে খোদাৰ উপাসনাৰ প্ৰতি বহুত গুৰুত্ব দিয়া উচিত। আকৌ তেখেত (ৰাঃ)ৰ অনুৰোধ মৰ্মে আঁহজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লাক স্মৰণ কৰা, যাতে প্ৰতিটো কামৰ বাবে সহায়ক হ'ব পাৰে। হজৰত আব্দুল্লাহ যেতিয়া যাবলৈ ওলায় তেতিয়া আকৌ ওভতি আহি কলে, হে আল্লাহৰ ৰছুল! আল্লাহ অযুগ্ম, সেই কাৰণে আল্লাই অযুগ্মক পছন্দ কৰে, তেখেত (ছাঃ)য়ে কলে যে হে ইবনে ৰাৱাহা প্ৰশ্ন কৰিয়ে থাকিবা নে ? এতিয়া প্ৰশ্ন বন্ধ কৰা। যদি তুমি দহজন মানুহৰ সৈতে বেয়া আচৰণ কৰি পৰাজয় হোৱা

তথাপি এজনৰ সৈতেও পুণ্য কৰিবলৈ হাৰ নেমানিবা। অৰ্থাৎ ইমান বেয়াৰ পিছতো যদি আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে পুণ্য কৰা আৰু হৃদয়ত আল্লাহৰ প্ৰতি ভীতি থাকে তেতিয়া আল্লাহ তা'লাই ক্ষমা কৰি দিয়ে। আল্লাহ তা'লা পুণ্য কৰা সকলক ক্ষমা কৰে, সেইজনাৰ দয়া বহুত বিস্তৃত। সদায় এই প্ৰচেষ্টা কৰিবা যে পুণ্য কাম কৰিব লাগিব আৰু বেয়াৰ পৰা আঁতৰত থাকিব লাগিব। এনেকুৱা নকৰিবা যে সদায় দহটা বেয়া কৰিবা, ইয়াৰ পিছত এটা পুণ্য কৰ্ম কৰিবা। অৰ্থাৎ আঁহজৰত (ছাঃ)য়ে যেতিয়া কৈছিল যে তুমি এটা পুণ্য কৰ্ম কৰাত হাৰ নেমানিবা ইয়াৰ পিছত হজৰত আব্দুল্লাই কৈছিল, হে আল্লাহৰ ৰছুল (ছাঃ)! ইয়াৰ পিছত মই আপোনাক আৰু কোনো প্ৰশ্ন নকৰো।

যেতিয়া হজৰত আব্দুল্লাহ (ৰাঃ)ক বিদায় দিয়া হয় তেতিয়া তেওঁ কান্দি দিয়ে, লোকসকলে সোধাত তেখেত (ৰাঃ)য়ে আল্লাহৰ শপত লৈ কৈছিল যে মোৰ পাৰ্থিৱ জগতৰ প্ৰতি ভালপোৱা নাই আৰু তোমালোকৰ লগতো ভালপোৱা নাই। মই ৰছুলুল্লাহ (ছাঃ)ক এই আয়াত পাঠ কৰা শুনা পাইছো য'ত দোজখৰ উল্লেখ আছিল। মই নাজানো অগ্নিত সোমোৱাৰ পিছত মোৰ অৱস্থা কেনে হ'ব? ইয়াৰ পিছত লোকসকলে তেওঁক সান্তনা দিয়ে আৰু দোৱা কৰে যে নিৰাপদে আপোনালোক সকলোৱে আমাৰ ফালে ওভতি আহঁক।

জুমাৰ দিনা এই অভিযানত অংশ গ্ৰহণ কৰা সকলোবিলাক মানুহ ৰাওনা হ'ল, কিন্তু হজৰত আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)য়ে এইটো ভাৱিলে যে মই জুমাৰ নামাজ ৰছুলুল্লাহ (ছাঃ)ৰ পিছত আদায় কৰি তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিম। আঁহজৰত (ছাঃ)য়ে তেওঁক দেখি কলে যে তোমাক কোনটো বস্তুৱে তোমাৰ লগৰীয়া সকলৰ সৈতে ৰাওনা হোৱাত বাধা সৃষ্টি কৰিছে? হজৰত আব্দুল্লাহ (ৰাঃ)য়ে কলে যে মই এইটো বিচাৰো যে আপোনাৰ সৈতে জুমাৰ নামাজ আদায় কৰি নিজৰ সংগীসকলৰ সৈতে সাক্ষাৎ কৰো। আঁহজৰত (ছাঃ)য়ে তেওঁক কলে যে পৃথিৱীত যি বস্তু আছে যদি তুমি সেই সমূহ বস্তু খৰচ কৰা তথাপি তুমি এই অভিযানত যিসকল লোক ৰাওনা হৈছে তুমি সেই কল্যাণ লাভ কৰিব নোৱাৰা।

হজৰত খালিদ বিন অলিদ (ৰাঃ) এজন অভিজ্ঞ অশ্বাৰোহী আছিল। তেওঁয়ো এই অভিযানত এজন সাধাৰণ সেনা হিচাপে অংশ গ্ৰহণ কৰিছিল। খালিদ (ৰাঃ)ৰ কেৱল ইছলাম গ্ৰহণ কৰাৰ তিনি মাহ হৈছিল তেওঁ এই অভিযানত অংশ গ্ৰহণ কৰিছিল। মুছলমান সকলে ৰাওনা হোৱাতেই শত্ৰুসকলে মুছলমান সকলৰ ৰাওনা হোৱাৰ খবৰ পাইছিল, তেওঁলোকেও সেনা বাহিনী প্ৰস্তুত কৰা আৰম্ভ কৰি দিছিল। মুছলমান সকলে খবৰ পালে যে সেনাৰ সংখ্যা প্ৰায় এক লাখ। সেই সময়ত হজৰত আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)য়ে চাহাবা সকলৰ উৎসাহ বৃদ্ধি কৰি তেওঁলোকক কলে যে শ্বাহাদত আৰু বিজয় দুয়োটা তোমালোকৰ বাবে উত্তম; তোমালোকে এই সংকল্প কৰিয়ে ওলাইছা। এয়া শুনি সকলো সেনাই কলে যে ইবনে ৰাৱাহা (ৰাঃ)য়ে ঠিকে কৈছে। চাহাবা সকলে আগবাঢ়িল ইমানতেই মুশ্বৰিফ অঞ্চলৰ কাযতে হৰকলৰ সেনাৰ সৈতে সাক্ষাৎ হয় যিসকল ৰোম আৰু আৰবৰ বাসিন্দাৰ অন্তৰ্গত আছিল। মুছলমান সকলে যেতিয়া তেওঁলোকক দেখা পায় তেতিয়া সেই অঞ্চলৰ পৰা পিছুৱাই গৈ সেইফালে গ'ল যাক মুতা বুলি কোৱা হৈছিল। সেই ঠাইত গৈ মুছলমান সকলে যুদ্ধৰ বাবে প্ৰস্তুতি

লয়। হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল, তেওঁ কয় যে যেতিয়া শত্ৰুসকলে আমাৰ ওচৰ চাপি আহিছিল আমি ইমান বিশাল সংখ্যা, ইমানে উত্তম প্ৰস্তুতি, ঘোঁৰা আৰু সোণ ইয়াৰ আগতে কেতিয়াও দেখা নাছিলোঁ; এই দৃশ্য চাই মোৰ চকু আশ্চৰ্য হৈ পৰে। ইয়াৰ পিছত হজৰত ছাবিত (ৰাঃ)য়ে মোক কলে যে তুমি বিশাল সেনা বাহিনী চাই আছা, তুমি আমাৰ সৈতে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰা নাছিলা, তাতেও সংখ্যাৰ আধিক্যক চাই আমি প্ৰভাৰশালী হোৱা নাছিলো।

যেতিয়া যুদ্ধ আৰম্ভ হ'ল তেতিয়া ভীষণ যুদ্ধ চলিল আৰু হজৰত জায়েদ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ শত্ৰুৰ সৈতে যুদ্ধ কৰিলে আৰু বীৰত্বৰ সৈতে শ্বাহাদতৰ পিয়লা পান কৰিলে। ইয়াৰ পিছত হজৰত জাফৰ (ৰাঃ) ইছলামৰ নেতৃত্ব কৰি যুদ্ধ কৰিলে ইমানে যে তেওঁয়ো শ্বহীদ বৰণ কৰিলে। এটা বৰ্ণনা অনুযায়ী হজৰত জাফৰ বিন আবু তালিব (ৰাঃ)য়ে নিজৰ সোঁ হাতত পতাকা উঠায়, যেতিয়া সোঁ হাতখন কাটি যায় তেতিয়া বাওঁ হাতেৰে পতাকাখন ধৰে, যেতিয়া বাওঁ হাতখনো কাটি পেলোৱা হয় তেতিয়া নিজৰ কিলাকুটীৰে ইছলামৰ পতাকাখন বুকুৰ সৈতে সাৱটি ধৰে। শ্বাহাদত বৰণ কৰা সময়ত তেওঁৰ বয়স আছিল ৩৩ বছৰ। শ্বাহাদতৰ পিছত তেখেত (ৰাঃ)ৰ দেহত যাঠিটা ক্ষত দেখা গৈছিল, ইয়াৰ মাজত এটা ক্ষতও তেওঁৰ পিঠিত নাছিল।

তেওঁৰ শ্বাহাদত বৰণ কৰাৰ পিছত ইছলামৰ পতাকা হজৰত আব্দুল্লাহ বিন ৰাৱাহাই চম্ভালি লয়। তেখেত (ৰাঃ)ক যুদ্ধৰ আগতে এটুকুৰা মাংস দিয়া হৈছিল যাতে শক্তি লাভ কৰিব পাৰে, তেওঁ সেই মাংসৰ পৰা কিছু অংশ ভাঙিছিল ইমানতে এফালৰ পৰা তৰোৱালৰ শব্দ শুনা পালে, তেতিয়া তেওঁ নিজেই নিজকে কলে যে এতিয়ালৈকে তুমি এই জগততেই আছা অৰ্থাৎ যুদ্ধ আৰম্ভ হৈ গৈছে আৰু তুমি মাংস খাই আছা। তেওঁ সেই মাংসৰ টুকুৰা এৰি তৎক্ষণাত যুদ্ধৰ বাবে প্ৰস্তুতি লয় আৰু বৰ বীৰত্বৰ সৈতে যুদ্ধ কৰি শ্বহীদ বৰণ কৰে, তেওঁৰ হাতৰ পৰা পতাকাখন পৰি গৈছিল। আব্দুল্লাহ বিন ৰাৱাহাই যেতিয়া শ্বহীদ বৰণ কৰে তেতিয়া মুছলমান সকলে বেয়াকৈ পৰাজিত হ'ল, দুজন মুছলমানকো একেলগে যুদ্ধ কৰা দেখা নগ'ল, এনে পৰিস্থিতিত এজন আনছাৰী ব্যক্তিয়ে ইছলামী পতাকাখন উঠাই দৌৰি আহি লোকসকলৰ সন্মুখত পতাকাখন উত্তোলণ কৰি কয় হে লোকসকল ! মোৰ ফালে আহা। লোকসকল তেওঁৰ ফালে আহি একত্ৰিত হ'ল, যেতিয়া তেওঁলোকৰ সংখ্যা বহুত হ'ল তেতিয়া হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ কাষলৈ গ'ল। হজৰত খালিদ (ৰাঃ)য়ে কলে যে মই এইটো তোমাৰ পৰা নলওঁ, তুমি এইটোৰ অধিক প্ৰাপ্য, ইয়াৰ পিছত সেই আনছাৰীজনে কলে যে মই এই পতাকাখন তোমাৰ বাবেই উঠাইছো। হজৰত খালিদ (ৰাঃ)য়ে পতাকাখন উঠাই লোকসকলক ৰক্ষা কৰি তেওঁলোকক একত্ৰিত কৰি ইছলামী সেনাসকলক এফালে কৰিলে। শত্ৰুসকল তেওঁলোকৰ পৰা পিছ হুহুঁকি যায়, ইয়াৰ পিছত লোকসকলক ৰক্ষা কৰি উভতাই লৈ আহে। ইবনে ইছহাকৰ বৰ্ণনা অনুসৰি ৰোমীসকলৰ পৰা আঁতৰি যোৱাটো বাস্তৱতে তেওঁলোকৰ পৰা ৰক্ষা পোৱাৰ এটা উপায় আছিল, কিয়নো সেই সময়ত তিনি হাজাৰ মুছলমানৰ মাজৰ পৰা দুই হাজাৰ মুছলমান সেনা শত্ৰুসকলৰ সেনাৰ সৈতে মিলিত হৈ গৈছিল, দুয়ো পক্ষৰ সেনা মাজত সংকট সৃষ্টি হৈ পৰিছিল, শত্ৰুসকলে সম্পূৰ্ণৰূপে মুছলমান সকলক ঘেৰাও কৰি লৈছিল, আৰু নিজৰ অধীন কৰি লৈছিল, এনে পৰিস্থিতিত মুছলমান সকলক সুৰক্ষিতভাৱে তাৰ পৰা উলিয়াই অনাটোৱে বিজয় আছিল। হুজুৰ

আনোৱাৰ (আইঃ)য়ে কৈছে যে বিজয়ৰ কেইবাটাও দিশ আছে,

নবী কৰিম (ছাঃ)য়ে লোকসকলৰ ফালৰ পৰা কোনো খবৰ অহাৰ আগতেই হজৰত জায়েদ (ৰাঃ), জাফৰ (ৰাঃ) আৰু আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ৰ শ্বাহাদতৰ সংবাদ লোকসকলক কলে। তেখেত (ছাঃ)য়ে কলে যে জায়েদে পতাকা উঠালে, তেওঁয়ো শ্বহীদ বৰণ কৰে, তাৰ পিছত জাফৰ (ৰাঃ)য়ে পতাকাখন উঠায় তেওঁয়ো শ্বহীদ বৰণ কৰে, তাৰ পিছত ইবনে ৰাৱাহাই পতাকাখন উঠালে তেওঁয়ো শ্বহীদ বৰণ কৰে। তেখেত (ছাঃ)ৰ চকুৰ পৰা অশ্রু নির্গত হৈ আছিল, তেখেত (ছাঃ)য়ে কয় যে ইয়াৰ পিছত পতাকাখন আল্লাহৰ তৰোৱালৰ মাজৰ এটা তৰোৱালে উঠায়, আল্লাহ তা'লাই সেই হাতৰ দ্বাৰা মুছলমান সকলৰ বিজয় প্ৰদান কৰে। সেই দিনৰে পৰা খালিদ বিন অলিদ (ৰাঃ)ক ছায়ফুল্লাহ অৰ্থাৎ আল্লাহৰ তৰোৱাল বুলি ক'ব ধৰিলে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত খালিদ (ৰাঃ)য়ে যেতিয়া ইছলামী সেনাবাহিনীৰ নেতৃত্ব গ্ৰহণ কৰিছিল তেতিয়া তেওঁ সেনাৰ অগ্ৰভাগক পৃষ্ঠভাগলৈ আৰু পৃষ্ঠভাগক অগ্ৰভাগলৈ স্থানান্তৰ কৰিছিল তেনেদৰে তেওঁ সোঁ দিশৰ অংশক বাওঁফালে আৰু বাওঁ দিশৰ অংশক সোঁফালে সলনি কৰি অতি জোৰেৰ ধ্বনি লগায়, এই ধ্বনি শুনা পাই শত্ৰুসকলে ভাবিলে যে মুছলমান সকলৰ সহায় আহি গৈছে যাৰ ফলতে শত্ৰুসকলে পিছুৱাই যায় আৰু খালিদ (ৰাঃ)য়ে মুছলমান সকলক সুৰক্ষিতভাৱে ওভতাই লৈ আহে।

পতাকাখনৰ সন্মানৰ কথা উল্লেখ কৰি হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, যেতিয়া কোনো জাতিৰ মানুহৰ হৃদয়ত তেওঁলোকৰ পতাকাখনৰ মহত্ত্ব প্ৰতিষ্ঠিত কৰা হয়, তেতিয়া তেওঁলোকক এনেদৰে প্ৰস্তুত কৰা হয় যে যদি সেই পতাকা সুৰক্ষাৰ কৰি থাকোতে তেওঁলোকৰ প্ৰাণ আহুতি দিবলগীয়া হয় তথাপি তেওঁলোকে দ্বিধাবোধ নকৰাকৈ নিজৰ প্ৰাণ বিসৰ্জন দিয়ে। সেই সময়ত সৰু কাঠ বা অলপ কাপোৰৰ প্ৰশ্ন নাথাকে বৰঞ্চ জাতিৰ সন্মানৰ প্ৰতি প্ৰশ্ন উত্থাপন হয় যি ৰূপক ভাষাত পতাকা আকাৰে তেওঁৰ সন্মুখত থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বৰ্ণনা আগলৈ অব্যাহত থাকিব বুলি কৈ বিশ্বৰ সাধাৰণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দোৱা অব্যাহত ৰখাৰ ফালে মনোযোগ আকৰ্ষণ কৰে, বিশেষকৈ বৰ্তমান পাকিস্তান আৰু হিন্দুস্থানৰ যি পৰিস্থিতি, ইয়াৰ বাবে দোৱা কৰিব; আল্লাহ তা'লা অন্যায় অত্যাচাৰৰ অন্ত পেলাওক। নিপীড়িত সকলৰ সুৰক্ষা কৰক। চৰকাৰক বিবেক-বুদ্ধি দান কৰক, যুদ্ধৰ ফালে অগ্ৰসৰ হোৱাৰ পৰিৱৰ্তে শান্তিৰে সমস্যাৱলীৰ সমাধান বিচাৰি উলিয়াওক। আন্তৰ্জাতিক চুক্তি ৰক্ষাকাৰী হওঁক। আল্লাহ তা'লাই আন্তৰ্জাতিক সংস্থাক, য'ত বৰ্তমানে ন্যায় পোৱাটো কঠিন, সেই সংস্থাবোৰৰ দুয়ো পক্ষৰ মাজত সহানুভূতি আৰু বন্ধুত্ব স্থাপন কৰাৰ সৌভাগ্য দান কৰক, দেশ সমূহৰ পাৰস্পৰিক সমস্যাৱলী সমাধান কৰাৰ সুযোগ প্ৰদান কৰক। আল্লাহ তা'লা উভয় পক্ষক বিবেক-বুদ্ধি দান কৰক। যেতিয়া যুদ্ধ হয় তেতিয়া দুয়ো পক্ষৰে ক্ষতি হয়। কেৱল সেনা সকলে নহয় সাধাৰণ মানুহ আৰু নিপীড়িত লোকসকলকো বিনা কাৰণতে হত্যা কৰা হয়। এইটোৱে আমি বৰ্তমান যুদ্ধত দেখি আছো। এনেদৰেই প্ৰত্যেক ঠাইত হৈ আছে। বিশ্বৰ নিপীড়িত সকলৰ বাবে দোৱা কৰিব। বাহ্যিকভাৱে পৃথিৱীখন ধ্বংসৰ প্ৰান্তত থিয় হৈ আছে। আল্লাহ তা'লাই এই ধ্বংসৰ পৰা ৰক্ষা কৰক, আৰু এইটো

তেতিয়াই সম্ভৱ যেতিয়া লোকসকলে আল্লাহৰ ফালে অৱনত হ'ব। আল্লাহ তা'লা তেওঁলোকক সৌভাগ্য দান কৰক আৰু আমাকো দোৱা কৰাৰ সৌভাগ্য দান কৰক। আমীন-

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে এজন শ্বহীদ মাননীয় মহম্মদ আচিফ চাহাব ইবনে ৰফিক আহমদ চাহাব বলিৰ, জিলা কছুৰৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। শ্বহীদ মৰহুমক আহমদীৰ বিৰোধী সকলে ২৪ এপ্ৰিলত গুলী চলাই শ্বহীদ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। শ্বহীদ মৰহুমৰ বয়স আছিল ১৯ বছৰ। মৰহুম নিষ্ঠাবান, আজ্ঞা পালনকাৰী,বীৰু, উপসংগঠনৰ কামত অংশ গ্ৰহণকাৰী, উত্তম আচৰণ, ভদ্ৰ আৰু খিলাফতৰ সৈতে ভালপোৱাৰ সম্পৰ্ক ৰাখোতা যুৱক আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমৰ মাগফিৰাত আৰু পদ মৰ্যাদা উন্নীত হোৱাৰ বাবে দোৱা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে পাকিস্তানত উগ্ৰবাদী আৰু জামাতৰ বিৰোধীতা কৰা সকলৰ সাহস বৃদ্ধি পাই আছে। আল্লাহ তা'লা অতি সোনকালে তেওঁলোকৰ শাস্তিৰ বাবে উপযুক্ত ব্যৱস্থা কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 2 MAY 2025**

## BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................

..................................................................................................................

..................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB